# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 11-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

অসম চুক্তিৰ ৬ নম্বৰ দফাৰ সকলো দিশ ৰূপায়ণ কৰিবলৈ অসম চৰকাৰ বদ্ধপৰিকৰ আৰু ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটত এই ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বিধানসভাত আজি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ হোৱা আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ ৫২ টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ চৰকাৰ আগবাঢ়িছে। ইয়াৰ অংশ হিচাপে গৱেষণা কাৰ্য সূচল কৰি তোলাৰ লগতে সংৰক্ষণ আৰু নথিভুক্তকৰণৰ বাবে আধুনিক প্ৰযুক্তি আকোঁৱালি লবলৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ১০০ কোটি টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে। একেদৰে এবছৰৰ ভিতৰত ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিশ্বন প্ৰতিষ্ঠানক ডিপ্লমা পৰ্যায়ৰ প্ৰতিষ্ঠানৰ পৰা ডিগ্ৰী পৰ্যায়ৰ প্ৰতিষ্ঠানলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে ৰাজ্যত সকলো জিলা সদৰত বহুমুখী সাংস্কৃতিক চৌহদৰ নিৰ্মাণ কৰা হ'ব। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নামেৰে নামকৰণ কৰিবলগীয়া এই চৌহদসমূহত মহান সাহিত্যিক গৰাকীৰ জীৱন আৰু সময় প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই উদ্দেশ্যে এইবাৰৰ বাজেটত ৩৫ খন জিলাৰ বাবে ধাৰ্য্য কৰা ৭০০ কোটি টকাৰ ভিতৰত ১২ খন জিলাৰ বাবে ২৪০ কোটি টকা আৱণ্টন কৰা হৈছে। তেওঁ লগতে জিলা আৰু সমজিলা সমূহত জনজাতীয় আৰু অন্য থলুৱা সম্প্ৰদায়ৰ বাবে বহুমুখী সাংস্কৃতিক চৌহদ নিৰ্মাণ কৰা হব বুলিও ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয় যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ২০ টা এনে প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব।

০০০০

গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে অহা ১৪ মাৰ্চত অসমলৈ আহিব। ১৫ মাৰ্চত তেওঁ যোৰহাটৰ ডেৰগাওঁত থকা লাচিত বৰফুকন আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত এটা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ১৬ মাৰ্চত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত অনুষ্ঠিত এবছুৰ বাৰ্ষিক অধিবেশনত অংশগ্ৰহণ কৰিব।

০০০০

দেশে স্বাধীনতাৰ অমৃত কালত জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ দিশত অগ্ৰগতি লাভৰ বাবে ব্ৰতী হৈছে বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই মন্তব্য কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ত্ৰয়োবিংশতিতম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ছাত্ৰ-ছাত্ৰীসকল উন্নত ভাৰত গঢ়াৰ এই প্ৰচেষ্টাৰ মূল হোতা আৰু এই ক্ষেত্ৰত অনুঘটকৰূপে কাম কৰাৰ বাবে তেওঁলোকে নিজকে জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ মাধ্যমেৰে সৱল কৰি তোলাৰ আৱশ্যকতা আছে। দেশৰ উজ্বল ভৱিষ্যত সুনিশ্চিত কৰাৰ বাবে শিক্ষাৰ্থীসকলে নিজৰ সপোন বাস্তায়িত কৰাৰ বাবে নিষ্ঠাৰে কাম কৰা উচিত বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। সমাৰোহত ভাষাবিদ নাহেন্দ্ৰ পাডুনক সন্মানীয় ডি. লীট উপাধি প্ৰদান কৰা হয়। প্লাজমা বিজ্ঞানী ড° জয়ন্তী চুতীয়াক সন্মানীয় ডি এছ্ চি উপাধি প্ৰদান কৰা হয়। সমাৰোহত এহেজাৰ ৮৮৮ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ১১৪ গৰাকী গৱেষক শিক্ষাৰ্থীক ডক্টৰেট ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে ৩৮ গৰাকী কৃতি শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰা হয়। অসমীয়া ডাটা আধুনিকীকৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা বিশেষজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা তথা কেলিফৰ্ণিয়াত কৰ্মৰত ড° ৰূপম শৰ্মাই সমাৰোহত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০

দিশপুৰস্থিত লোকসেৱা ভৱনত আজি জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্ত সন্মিলন অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সন্মিলনত চাহ বাগিছা অঞ্চলৰ গৰ্ভৱতী মহিলা মজুৰীৰ ক্ষতিপূৰণ প্ৰদানকে ধৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনি, অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নতুন জি অ' টেগিং, মিছন বসুন্ধৰা, পঞ্চায়ত নিৰ্বাচন, সমজিলা সৰলীকৰণ, ৫ লাখ গামোচা বিতৰণৰ দৰে অভিলাসী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০

ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল প্ৰক্ৰিয়া চলি আছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলা প্ৰশাসনে নিয়াৰিকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। পৰিষদৰ নিৰ্বাচনত অসম গণ পৰিষদ দলে কামৰূপ আৰু গোৱালপাৰা জিলাত কমেও ১০টা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিব। বকো-ছয়গাঁও সমষ্টিৰ দলৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বাকী সমষ্টিসমূহত দলে এন ডি এৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। কংগ্ৰেছে আজি পৰিষদৰ আসন্ন নিৰ্বাচনৰ বাবে ৩২ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে।

০০০০

নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে আজি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। অহা ১৩ মাৰ্চত উত্তৰ পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা আৰু নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত প্ৰতিযোগিতাৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ